2026

ASSAMESE

(Major)

Paper : ASM4200304MJ

(অসমীয়া কবিতা)

Acc. No. Date

Full marks : 60

Time : $2\frac{1}{2}$ Hours

The figures in the margin indicate full marks for the questions

১) অতি চমু উত্তৰ দিয়া। ১×৮ = ৮

ক) মাধৱ কন্দলিয়ে কোনজন ৰজাৰ পৃষ্ঠপোষকতা লাভ কৰিছিল ?

খ) জোনাকী যুগৰ এগৰাকী কবিৰ নাম লিখা।

গ) ৰঘুনাথ চৌধাৰীৰ দুখন কবিতা পুথিৰ নাম লিখা।

ঘ) অম্বিকাগিৰী ৰায়চৌধুৰীয়ে কোনখন কবিতা পুথিৰ বাবে সাহিত্য অকাডেমি বঁটা লাভ কৰিছিল ?

ঙ) দেৱকান্ত বৰুৱাৰ একমাত্ৰ কবিতা পুথিৰ নাম কি ?

চ) ভোলানাথ দাসৰ 'সীতাহৰণ কাব্য' প্ৰথমে কি আলোচনীত প্ৰকাশ পাইছিল ?

ছ)" 'গীতি ৰামায়ণ' বাল্মিকীৰ মহাকাব্যৰ গাঁৱলীয়া তাঙৰণ মাথোন "-- কোনে কৈছিল ?

জ) 'অজেয়' কবিতাটো কাৰ ?

২) চমু উত্তৰ লিখা (যিকোনো ছয়টা)। ২×৬ = ১২

ক) অজিৎ বৰুৱাৰ দুখন কবিতা পুথিৰ নাম লিখা ।

খ) নীলমণি ফুকনে অনুবাদ দুখন কবিতা পুথিৰ নাম লিখা।

গ) দেৱকান্ত বৰুৱাই কোনজন পশ্চিমীয়া কবিৰ কাব্য-ৰীতিৰে কবিতা ৰচনা কৰিছিল ? এই ৰীতিক কি নামেৰে জনা যায় ?

ঘ) বিষয়বস্তুৰ ক্ষেত্ৰত অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাত দেখা পোৱা প্ৰধান ধাৰা দুটা কি কি ?

ঙ) প্ৰাক-শংকৰী যুগৰ দুগৰাকী কবিৰ নাম লিখা।

চ) শংকৰদেৱৰ আইতাকৰ নাম কি আছিল ? মহেন্দ্ৰ কন্দলিৰ লগত শংকৰদেৱৰ সম্পৰ্ক কি আছিল ?

ছ) ৰঘুনাথ চৌধাৰীৰ জন্ম ক'ত হৈছিল ? তেওঁ সম্পাদনা কৰা এখন আলোচনীৰ নাম লিখা।

জ) নাটকীয় স্বগতোক্তি বুলিলে কি বুজা ?

ঝ) নৱকান্ত বৰুৱাক কি কবি হিচাপে জনা যায় ? তেওঁৰ এখন উপন্যাসৰ নাম লিখা।

ঞ) সাহিত্য অকাডেমি বঁটা লাভ কৰা দুগৰাকী কবিৰ নাম লিখা।

Contd...

৩) যিকোনো চাৰিটা প্ৰশ্নৰ উত্তৰ লিখা **৫×৪ = ২০**

ক) নীলমণি ফুকনে 'ব্ৰহ্মপুত্ৰত সূৰ্যাস্ত' কবিতাত ব্ৰহ্মপুত্ৰত সূৰ্য অস্ত যোৱাৰ চিত্ৰ কেনেদৰে অংকন কৰিছে, আলোচনা কৰা।

খ) ভোলানাথ দাসৰ কবি পৰিচয় আগবঢ়োৱা।

গ) অম্বিকাগিৰী ৰায়চৌধুৰীৰ সাহিত্য-প্ৰতিভা সম্পৰ্কে টোকা লিখা।

ঘ) 'পলস' কবিতাটোৰ মূলভাৱ লিখা।

ঙ) ৰোমান্টিক কবিতাৰ পাঁচটামান বৈশিষ্ট্য আলোচনা কৰা।

চ) মাধৱ কন্দলিয়ে কি ধৰনৰ নীতি-আদৰ্শ সন্মুখত ৰাখি 'ৰামায়ণ' অনুবাদ কৰিছিল, সেই সম্পৰ্কে লিখা।

ছ) "আৰো চাৰি কাৰ্য্য / শৰতে সাধিলে / শুনা দেওঁ তাৰ লেখা।" ইয়াত উল্লেখ থকা কি চাৰি কাৰ্য শৰতে সাধিলে, চমুকৈ আলোচনা কৰা।

জ) 'অজেয়' কবিতাত কবিয়ে কেনেকৈ নিজৰ অজেয় মনোভাৱ ব্যক্ত কৰিছে, চমুকৈ আলোচনা কৰা।

৪) ৰচনাধৰ্মী প্ৰশ্নৰ উত্তৰ লিখা (যিকোনো দুটা) **১০×২=২০**

ক) 'ৰাম বিহীন অযোধ্যাৰ বৰ্ণনা' কাব্যাংশৰ আধাৰত ৰাম অবিহনে অযোধ্যাত কেনে পৰিৱেশৰ সৃষ্টি হৈছিল, বৰ্ণনা কৰা।

খ) শংকৰদেৱে 'শৰৎ বৰ্ণনা' কবিতাৰ জৰিয়তে প্ৰাকৃতিক চিত্ৰ কেনেদৰে ফুটাই তুলিছে, উদাহৰণসহ আলোচনা কৰা।

গ)'মালতী' কবিতাৰ মূল কথাখিনি নিজৰ ভাষাত লিখা।

ঘ) 'গোলাপ' কবিতাটিৰ কাব্যিক সৌন্দৰ্য বিশ্লেষণ কৰি এটি আলোচনা যুগুত কৰা।

ঙ) আধুনিক কবিতাৰ সংজ্ঞা লিখা। আধুনিক কবিতাৰ বৈশিষ্ট্য সমূহ আলোচনা কৰা।

****

Anandaram Dhekial Phookan College Library
Acc. No.
Date
Nagaon : Assam